মহাবিদ্যালয় সঙ্গীত

কথা, সুৰঃ যুগলজ্যোতি বৰা
*সংগীতঃ অনিমেষ বৎস*

*অসতো মা সদ্গময়ঃ*
*তমসো মা জ্যোতির্গময়ঃ*

*(১)*

আমি শতিকাৰ তৰুণ সূৰ্য,
আমি নতুন সম্ভাৱনাৰে মূৰ্ত্ত।
জ্ঞান-বিজ্ঞান, মৈত্ৰী এনাজৰী
আমাৰ অমোঘ মন্ত্ৰ।।
আমি শতিকাৰ তৰুণ সূৰ্য...,
বাটে বাটে জোনাক সিঁচো আমি
অজ্ঞান এন্ধাৰ নাশো আমি
জননীৰ সন্তান আমি দুৰন্ত
নাই আমাৰ যাত্ৰাৰ অন্ত ।
আমি শতিকাৰ তৰুণ সূৰ্য....

(২)

মানুহ আমিয়েই গঢ়িম,
সমাজ আমিয়েই গঢ়িম,
কণ্ঠত জ্ঞানৰ মন্ত্ৰ জপি
গঢ়িম সুন্দৰৰ নৱ চেতনা।।
গা ... ধা ... নি ... সা ....
দুষ্কৃতি নাশি সংস্কৃতি থাপি,
আমিয়েই গাম আলোকৰ গান,
আমিয়েই গাম মানুহৰ গান।।

আমি মৰঙিয়ান।

(৩)

সৌ দেও পাহাৰৰ শিলৰ কত কথা,
সৌ নুমলিগড়ৰ কত সোণালী গাথা,
কালিয়নী-দৈগ্ৰোং-ধনশিৰিয়েদি বৈ
বুঢ়ালুইত হৈ বয়
সাগৰলে' , সাগৰলে', সাগৰলে'।
ধৰণী ধুনীয়াৰ পণ লৈ,
আমিও বৈ যাম দূৰ দিগন্তলে'
মৰঙিৰ মুকুতা দুহাততে লৈ.....।।

আমি শতিকাৰ তৰুণ সূৰ্য,
আমি নতুনৰ সম্ভাৱনাৰে মূৰ্ত্ত,
জ্ঞান-বিজ্ঞান, মৈত্ৰী এনাজৰী
আমাৰ অমোঘ মন্ত্ৰ।

আমি মৰঙিয়ান, মৰঙিয়ান, মৰঙিয়ান ।।